# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
**0000000000**

**Date :** 09-02-2025
**Time :** 13-40 hrs

ASSAMESE MIDDAY BULLETIN

**HEADLINES**

**::::::::::::::::::::**

১। চত্তিশগড়ত নিৰাপত্তাৰক্ষীৰ সৈতে হোৱা এটা সংঘৰ্ষত কমেও ১২ জন মাওবাদীৰ লগতে দুজন নিৰাপত্তাৰক্ষী নিহত হৈছে।

২। দিল্লীৰ মুখ্যমন্ত্ৰী আতিশীয়ে আজি পুৱাৰ ভাগত উপৰাজ্যপাল ভি কে চাক্সেনাক সাক্ষাৎ কৰি পদত্যাগপত্ৰ দাখিল কৰে।

৩। নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত ৫২ সংখ্যক বিশ্ব গ্ৰন্থমেলাৰ আজি সামৰণি পৰিব।

৪। **পৰীক্ষা পে চৰ্চা**ৰ অষ্টম সংস্কৰণ কাইলৈ নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত হ'ব। ***আৰু***

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ তিনিখনীয়া একদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি কটকৰ বাৰাৱতী ষ্টেডিয়ামত অনুষ্ঠিত হৈছে।

০০০০০

চত্তিশগড়ত নিৰাপত্তাৰক্ষীৰ সৈতে হোৱা এটা সংঘৰ্ষত আজি কমেও ১২ জন মাওবাদী নিহত হৈছে। এই সংঘৰ্ষত দুজন নিৰাপত্তাৰক্ষী নিহত হোৱাৰ লগতে আন দুজন আহত হোৱাৰ বাতৰি আহিছে। আমাৰ সংবাদদাতাই জনোৱা মতে, বীজাপুৰ জিলাৰ এখন ৰাষ্ট্ৰীয় উদ্যানত মাওবাদীৰ এটা দলে বাহৰ পতাৰ তথ্য নিৰাপত্তাৰক্ষীয়ে লাভ কৰিছিল। এই তথ্যৰ ভিত্তিতেই নিৰাপত্তাৰক্ষীৰ এটা যুটীয়া দলে অঞ্চলটোত তালাচী অভিযান আৰম্ভ কৰিছিল। এই অভিযানৰ সময়তে নিৰাপত্তাৰক্ষীলৈ লক্ষ্য কৰি মাওবাদীৰ সদস্যই গুলিচালনা কৰে। ইয়াৰ প্ৰত্যুত্তৰত নিৰাপত্তাৰক্ষীৰ জোৱানসকলেও গুলিচালনা কৰে। বাতৰি যুগুতোৱাৰ পৰলৈকে দুয়োপক্ষৰ মাজত সংঘৰ্ষ অব্যাহত আছে। এই পৰ্যন্ত ১২ জন মাওবাদীৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। ঘটনাস্থলীৰ পৰা বুজন পৰিমাণৰ অস্ত্ৰ শস্ত্ৰও নিৰাপত্তাৰক্ষীয়ে জব্দ কৰিছে।

০০০০০

দিল্লীৰ মুখ্যমন্ত্ৰী আতিশীয়ে আজি পুৱাৰ ভাগত উপৰাজ্যপাল ভি কে চাক্সেনাক সাক্ষাৎ কৰি পদত্যাগপত্ৰ দিয়ে। যোৱা বছৰ চেপ্তেম্বৰত আম আদমী পাৰ্টিৰ ৰাষ্ট্ৰীয় আহ্বায়ক অৰবিন্দ কেজৰিৱালে মুখ্যমন্ত্ৰী হিচাপে পদত্যাগ কৰাৰ পাছত আতিশীয়ে মুখ্যমন্ত্ৰীৰ আসনত অধিষ্ঠিত হৈছিল। উল্লেখযোগ্য যে, কালি ঘোষিত দিল্লী বিধানসভা নিৰ্বাচনত আম আদমী পাৰ্টীয়ে ২২খন আসনতহে বিজয় সাব্যস্ত কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পৰিপ্ৰেক্ষিতত দিল্লীৰ উপৰাজ্যপাল ভি কে চাক্সেনাই কালিৰ পৰা কাৰ্যকৰী হোৱাকৈ ৰাষ্ট্ৰীয় ৰাজধানীখনৰ সপ্তম বিধানসভা ভংগ কৰে।

উল্লেখযোগ্য যে, কালি ঘোষিত ফলাফল অনুসৰি বিজেপিয়ে ৭০ জনীয়া দিল্লী বিধানসভাৰ ৪৮ খন আসনত জয়লাভ কৰে।  এই বৃহৎ জয়েৰে ৰাষ্ট্ৰীয় ৰাজধানীখনত ২৬ বছৰ পাছত বিজেপি পুনৰ ক্ষমতালৈ আহিছে। এইবাৰৰ নিৰ্বাচনত কংগ্ৰেছে এখন আসনতো জয়লাভ কৰিবলৈ সমৰ্থ নহল। বিজেপিৰ পৰা জয়লাভ কৰা উল্লেখযোগ্য নেতাসকলৰ ভিতৰত আছে নতুন দিল্লীত পৰবেশ ছাহিব সিং, জুনপুৰাৰ পৰা তৰবিন্দৰ সিং মাৰোৱা, কাৰৱাল নগৰৰ পৰা কপিল মিশ্ৰ, ৰোহিনীৰ পৰা বিজেন্দ্ৰ গুপ্তা, ৰজৌৰি গাৰ্ডেনৰ পৰা মনজিন্দৰ সিং চিৰছা, গান্ধীনগৰৰ পৰা অৰবিন্দৰ সিং লাভলী, গ্ৰেটাৰ কৈলাশৰ পৰা শিখা ৰয় আৰু মটি নগৰৰ পৰা হাৰিষ খুৰানা। আম আদমী পাৰ্টিৰ পৰা জয়ী হোৱা নেতাসকলৰ ভিতৰত আছে কালকাজি সমষ্টিৰ পৰা মুখ্যমন্ত্ৰী আতিছি, সদৰবাজাৰত সোম দত্ত, বাবৰপুৰত গোপাল ৰায়, দিল্লী চাউনীৰ পৰা বিৰেন্দৰ সিং কাৰিয়ান, কন্দলী আসনখনৰ পৰা কুলদীপ কুমাৰ, তিলক নগৰৰ পৰা জাৰ্নেল সিং, বল্লীমাৰানৰ পৰা ইমৰাণ হুছেইন আৰু ছুলতানপুৰ মাজৰা সমষ্টিৰ পৰা মুকেশ কুমাৰ আহ্লাৱাট। নিৰ্বাচনত পৰাজয় বৰণ কৰা আগশাৰীৰ নেতাসকলৰ ভিতৰত আম আদমী পাৰ্টিৰ জ্যেষ্ঠ নেতা তথা দিল্লীৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল, মনিষ চিছোডিয়া, সৌৰভ ভৰদ্বাজ, দুৰ্গেশ পাঠক, কংগ্ৰেছৰ সন্দীপ দিক্ষীত আৰু বিজেপিৰ ৰমেশ বিধূৰি তথা ৰাজ কুমাৰ আনন্দ অন্যতম।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী বিদেশ ভ্ৰমণৰ পৰা ঘুৰি অহাৰ পাছতে অহা সপ্তাহত দিল্লীত বিজেপিয়ে চৰকাৰ গঠনৰ বাবে উপৰাজ্যপালক দাবী জনাব বুলি দলৰ সূত্ৰই জানিবলৈ দিয়ে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত দিল্লী বিজেপিৰ সভাপতি বীৰেন্দ্ৰ শচদেৱে কয়, যে বিজেপিয়ে জনসাধাৰণক দিয়া নিৰ্বাচনী প্ৰতিশ্ৰুতি ৰক্ষা কৰিব আৰু দিল্লীক এখন উন্নত ৰাজধানী হিচাপে গঢ়ি তুলিবলৈ কাম কৰি যাব।

ooooo

নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত ৫২ সংখ্যক বিশ্ব গ্ৰন্থমেলাৰ আজি সামৰণি পৰিব। নেচনেল বুক ট্ৰাষ্ট আৰু ইণ্ডিয়া ট্ৰেড প্ৰমোচন সংস্থাই যুটীয়াভাৱে আয়োজন কৰা ৯ দিনীয়া এই গ্ৰন্থমেলা ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে উন্মোচন কৰিছিল। এই গ্ৰন্থমেলাত ফ্ৰান্স, আৰ্জেণ্টিনা, স্পেইন, কলম্বিয়াকে ধৰি ৫০ খনতকৈও অধিক দেশে অংশগ্ৰহণ কৰিছে।

উল্লেখযোগ্য যে, বিশ্ব গ্ৰন্থমেলাত কালি দুখন কিতাপ উন্মোচন কৰি লোকসভাৰ অধ্যক্ষ ওম বিৰলাই জনসাধাৰণক, বিশেষকৈ যুৱ প্ৰজন্মক শক্তি আৰু অনুপ্ৰেৰণাৰ বাবে গ্ৰন্থ অধ্যয়ন কৰিবলৈ আহ্বান জনায়। শ্ৰী বিৰলাই কয়, যে কিতাপে ব্যক্তিগত আৰু সামাজিক বিকাশৰ প্ৰকৃত পথ প্ৰদৰ্শকৰূপে কাম কৰি আহিছে। তেওঁ কয়, যে কিতাপ জ্ঞানৰ স্থায়ী অভিলেখাগাৰ আৰু কিতাপে ভৱিষ্যৎ প্ৰজন্মৰ বাবে অৱধাৰণা তথা ঐতিহ্যৰ সংৰক্ষণ কৰে। অধ্যক্ষগৰাকীয়ে যুৱক-যুৱতীসকলক প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ বাবে অনুপ্ৰেৰণাৰ উৎস হিচাপে গ্ৰন্থক আকোৱালি ল'বলৈ আহ্বান জনায়। ooooo

ooooo

নতুন দিল্লীৰ ভাৰত মণ্ডপমত কাইলৈ **পৰীক্ষা পে চৰ্চা**ৰ অষ্টম সংস্কৰণ অনুষ্ঠিত হ'ব। নতুন ৰূপত হ'বলগীয়া এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে দেশৰ ভিন্ন বৃত্তিৰ সৈতে জড়িত  বিশিষ্ট ব্যক্তিসকলে শিক্ষাৰ্থীসকলৰ সৈতে অভিজ্ঞতা বিনিময় কৰিব। এই অনুষ্ঠান দূৰদৰ্শনৰ উপৰি স্বয়ম, স্বয়ম প্ৰভা, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ ইউ টিউব চেনেল তথা তথ্য আৰু প্ৰযুক্তি মন্ত্ৰালয়ৰ সামাজিক মাধ্যমযোগে পোনপটীয়াকৈ প্ৰচাৰিত হ'ব।

চলিত বৰ্ষত এই অনুষ্ঠানত অংশগ্ৰহণৰ বাবে প্ৰায় ৩ কোটি শিক্ষাৰ্থী, শিক্ষক আৰু অভিভাৱকে নাম পঞ্জীয়ন কৰিছে। ইয়াৰ ভিতৰত ৩৬ গৰাকী শিক্ষাৰ্থীয়ে এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীৰ সৈতে পোনপটীয়াকৈ কথা পাতিব পাৰিব। এই অনুষ্ঠানত পৰীক্ষাৰ সময়ত পৰীক্ষাৰ্থীয়ে সন্মুখীন হোৱা মানসিক চাপ দূৰ কৰাৰ উপায় সন্দৰ্ভত আলোকপাত কৰা হ'ব।

ooooo

জম্মু-কাশ্মীৰৰ ৰিয়াছি জিলাত থকা বৈষ্ণুদেৱী মন্দিৰৰ তীৰ্থযাত্ৰীৰ শিবিৰ কাটৰাত সুৰা আৰু আমিষ খাদ্য বিক্ৰী তথা মজুত ৰখা আৰু সেৱন কৰাত পূৰ্বে আৰোপ কৰা নিষেধাজ্ঞা দুমাহৰ বাবে পুনৰ বৃদ্ধি কৰা হৈছে। ভাৰতীয় নগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নং ধাৰাৰ অধীনত জিলা প্ৰশাসনে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। এই নিৰ্দেশ অনুসৰি কাত্ৰাৰ পৰা ত্ৰিকুটা পাহাৰৰ পবিত্ৰ গুহালৈ যোৱা ১২ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱাৰ লগতে ইয়াৰ কাষৰীয়া অঞ্চলসমূহতো এই নিষেধাজ্ঞা বলবৎ কৰা হ'ব। প্ৰশাসনে জনোৱামতে সমগ্ৰ পথছোৱাৰ দুয়োকাষে দুই কিলোমিটাৰ পৰ্যন্ত দূৰত্বৰ গাঁৱতো এই নিষেধাজ্ঞা প্ৰযোজ্য হ'ব।

ooooo

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত চলি থকা মহাকুম্ভমেলাত জলজীৱন অভিযানৰ পেভেলিয়ন স্থাপন কৰা হৈছে। জল জীৱন অভিযানৰ জৰিয়তে গ্ৰাম্য জীৱনত পৰা প্ৰভাৱক প্ৰতিফলন কৰাৰ উদ্দেশ্যে এই পেভেলিয়ন স্থাপন কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে ঘৰে ঘৰে নলযোগে পানী যোগানৰ উদ্দেশ্যৰে ২০১৯ চনত জল জীৱন অভিযান মুকলি কৰিছিল।

ooooo

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি কটকৰ বাৰাৱতী ষ্টেডিয়ামত অনুষ্ঠিত হৈছে। টছত জিকি প্ৰথমে ইংলেণ্ডে বেটিং কৰাৰ সিদ্ধান্ত লয়। বাতৰি যুগুতোৱাৰ পৰলৈকে ইংলেণ্ডে ২ অভাৰ ৪ টা বলত ১৯ ৰাণ কৰি খেলি আছে। উল্লেখযোগ্য যে, নাগপুৰত অনুষ্ঠিত প্ৰথমখন এদিনীয়াত ভাৰতে ৪টা উইকেটত জয়লাভ কৰিছিল।

ooooo

থাইলেণ্ডত চলি থকা পেৰা আৰ্চাৰী এছিয়া কাপ প্ৰতিযোগিতাত আজি ভাৰতে ৰিকাৰ্ভ অ'পেন আৰু কম্পাউণ্ড অ'পেনত আৰু দুটা সোণৰ পদক লাভ কৰে। ভাৰতে এতিয়ালৈকে চাৰিটা সোণ আৰু দুটা ৰূপৰ সৈতে মুঠ ছটা পদক লাভকৰিবলৈ সক্ষম হৈছে।

ৰিকাৰ্ভ অ'পেন মিক্সড টিম ইভেণ্টত হৰবিন্দৰ সিং আৰু পূজাই ইণ্ডোনেছিয়াৰ মাহদা আউলিয়া আৰু খোলিদিনক ৫-৪ ফলাফলত পৰাস্ত কৰি সোণৰ পদক অৰ্জন কৰে। ইয়াৰ পূৰ্বে পুৰুষৰ ৰিকাৰ্ভ ইভেণ্টত হৰবিন্দৰে দ্বিতীয়টো সোণৰ পদক অৰ্জন কৰিছিল।

কম্পাউণ্ড অ'পেন মিক্সড টিম ইভেণ্টত ভাৰতৰ শ্যাম সুন্দৰ স্বামী আৰু সৰিতাই ইণ্ডোনেছিয়াৰ কেন স্বাগুমিলাং আৰু টিঅ'ড'ৰা অ'ডি আয়ুদিয়া ফেৰেলীৰ বিৰুদ্ধে ১৫০-১৪৮ ফলাফলত জয়লাভ পদক লাভ কৰে।

কাইলৈ ব্যক্তিগত শাখাত ভাৰতীয় তিনিগৰাকীকৈ  ধনুৰ্বিদ ফাইনেলত অৱতীৰ্ণ হ'ব।  ০০০০

উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহৰ এথলেটিকছ্ আৰু জিমনাষ্টিক শিতানৰ খেলসমূহ কালিৰ পৰা অনুষ্ঠিত হৈছে। ৰাজ্যখনৰ হল্ডৱানী, ডেৰাডুন আদি ঠাইত অনুষ্ঠিত খেলসমূহত খেলুৱৈসকলে নিজৰ পৰাদৰ্শিতা দেখুৱাবলৈ সমৰ্থ হৈছে।  ডেৰাডুনত আয়োজিত ১০ হাজাৰ মিটাৰ দৌৰত হিচমাল প্ৰদেশৰ ছাৱান বৰোৱালে পুৰুষৰ শাখাত সোণৰ পদক জয় কৰাৰ বিপৰীতে মহাৰাষ্ট্ৰৰ সঞ্জীৱনী যাদৱে মহিলাৰ শাখাত সোণৰ পদক জয় কৰে।

মহিলাৰ ডিচকাছ্ থ্ৰোত হাৰিয়ানাৰ সীমাই আৰু পুৰুষৰ শাখাত ছাৰ্ভিচেছৰ গংগাদীপ সিঙে সোণৰ পদক জয় কৰে। মহিলাৰ প'ল ভল্টত তামিলনাডুৰ খেলুৱৈয়ে সোণ আৰু ৰূপৰ পদক লাভ কৰে। পুৰুষৰ লং জাম্পত উত্তৰ প্ৰদেশৰ শ্বাহনৱাজে সোণৰ পদক জয় কৰে। পুৰুষৰ ১৫ শ মিটাৰ দৌৰত ছাৰ্ভিচেছৰ ইউনুছ ছাহে সোণৰ পদক জয় কৰাৰ বিপৰীতে দিল্লীৰ চন্দনাই মহিলাৰ শাখাত সোণৰ পদক লাভ কৰে।

অসমৰ অম্লান বৰগোহাইয়ে পুৰুষৰ এশ মিটাৰ দৌৰত ব্ৰঞ্জৰ পদক অৰ্জন কৰে। ইপিনে, টাইকোৱাণ্ডোৰ মহিলাৰ শাখাত অৰুণাচল প্ৰদেশে সোণৰ পদক জয় কৰে। টাইকোৱাণ্ডোৰ গ্ৰুপ পমচি শিতানত অসমৰ মৰ্ণিতা আচাৰ্য, বেনলা কোম্প্ৰাই আৰু পঞ্চমী দাসৰ দলটোৱে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। অসমৰ নয়নমণি শইকীয়া আৰু বনগীতা হাজৰিকাৰ যুটীটোৱে লন বলৰ মহিলাৰ ডাবলছত স্বৰ্ণ পদক অৰ্জন কৰিবলৈ সমৰ্থ হৈছে।

প্ৰতিযোগিতাত ছাৰ্ভিচেছে ৪১টা সোণৰ পদকেৰে পদক তালিকাৰ প্ৰথম স্থানত আছে। কৰ্ণাটক ৩০টা সোণৰ পদকেৰে দ্বিতীয় স্থান আছে। এইবাৰৰ ক্ৰীড়া সমাৰোহত অসমে এতিয়ালৈকে তিনিটা সোণৰ পদক অৰ্জন কৰিবলৈ সমৰ্থ হৈছে।

০০০০

সমাপ্ত